**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-10-2024
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***Headliens***

-----------------------

১। ৰাজ্যৰ ডেৰ লাখতকৈও অধিক ছাত্ৰীলৈ নিযুত মইনা আঁচনিৰ ধন প্ৰদান। খানাপাৰাত আয়োজিত উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ মুখ্য অতিথি হিচাপে অংশগ্ৰহণ।

২। নিযুত মইনা আঁচনিয়ে হিতাধিকাৰী সৃষ্টিৰ বিপৰীতে মধ্যবৰ্গৰ উন্নতিৰ বাবেহে কাম কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাৰ গ্ৰেনেডাত প্ৰবাসী ভাৰতীয়ৰ সৈতে অনুষ্ঠানত অংশগ্ৰহণ। ভ্ৰমণ কালত কেইবাখনো দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ।

৪। শাৰদীয় দুৰ্গা পূজালৈ মাজত দুদিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি উলহ-মালহৰ পৰিৱেশ। আজি নৱৰাত্ৰিৰ চতুৰ্থ দিনা দেৱী দুৰ্গাক কুষ্মাণ্ডা ৰূপত আৰাধনা।

**আৰু**

৫। মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ ছয় উইকেটত জয়লাভ।

oooooo

ৰাজ্যত আজিৰ পৰা নিযুত মইনা আঁচনিৰ ধন বিতৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছে। খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিযুত মইনা আঁচনিৰ শুভাৰম্ভ কৰে। ভাষণ প্ৰসঙ্গত মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিয়ে হিতাধিকাৰী সৃষ্টিৰ বিপৰীতে মধ্যবিত্তৰ উন্নয়নৰ বাবে কাম কৰিব। উল্লেখযোগ্য যে নৱেম্বৰ মাহৰ পৰা ডি বি টিৰ জৰিয়তে ছাত্ৰীসকলৰ বেংক একাউণ্টত ধন সোমাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, নিযুত মইনা আঁচনিৰ জৰিয়তে ৰাজ্য চৰকাৰে বাল্য বিবাহৰ দৰে সামাজিক ব্যাধি প্ৰতিৰোধৰ উদ্দেশ্যে পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিৰ জৰিয়তে পৰৱৰ্তী তিনিটা বৰ্ষত ১০ লাখ ছাত্ৰীক সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। চলিত বৰ্ষত এই আঁচনি ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে ৰাজকোষৰ ২৪০ কোটি টকা ধন ব্যয় কৰিব। নিযুত মইনা আঁচনিৰ অধীনত একাদশ শ্ৰেণীত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীয়ে মাহিলি এহেজাৰ টকাকৈ ১০ মাহৰ বাবে মুঠ ১০ হাজাৰ টকা লাভ কৰিব। একেদৰে স্নাতক প্ৰথম বৰ্ষত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক ৰাজ্য চৰকাৰে ১০ মাহৰ বাবে এহেজাৰ ২৫০ টকাকৈ প্ৰদান কৰিব। স্নাতকোত্তৰ পাঠ্যক্ৰম তথা বি. এডত নাম ভৰ্তি কৰা প্ৰতিগৰাকী যোগ্য ছাত্ৰীক এই আঁচনিৰ অধীনত ১০ মাহৰ বাবে মাহিলি দুহেজাৰ ৫০০ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰা হ'ব।

আজি খানাপাৰাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই নিযুত মাইনা আঁচনিৰ অধীনত চেক বিতৰণ কাৰ্যসূচী উদ্বোধন কৰাৰ সমান্তৰালভাৱে ৰাজ্যৰ বিভিন্ন জিলাসমূহতো আঁচনিখনৰ অধীনত চেক বিতৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। ঢেকিয়াজুলিৰ ভোটপাৰা ষ্টেডিয়ামত এই উদ্দেশ্যে আয়োজিত এটা অনুষ্ঠানত মন্ত্ৰী অশোক সিংহালে অংশগ্ৰহণ কৰে। পাঠশালাত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আৰু নলবাৰীত মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই এই আঁচনিৰ অধীনত আৰ্থিক অনুদানৰ চেক বিতৰণ কৰে। কলিয়াবৰত মন্ত্ৰী কেশৱ মহন্তই আঁচনিখনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ বিপৰীতে বাক্সা জিলাৰ সদৰ মুছলপুৰত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই নিযুত মইনা আঁচনিৰ চেক বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ইফালে, বাক্সা জিলাৰ শালবাৰীত চেক বিতৰণ কাৰ্যসূচীত বিটিচিৰ পৰিষদীয় সমষ্টিৰ পাৰিষদ জয় মুছাহাৰীও অংশগ্ৰহণ কৰে।

শোণিতপুৰ জিলাতো এই আঁচনিৰ জৰিয়তে ৫ হাজাৰৰো অধিক ছাত্ৰীলৈ আৰ্থিক অনুদান আগবঢ়োৱা হৈছে। মাজুলীতো প্ৰায় ১৫ হাজাৰ ছাত্ৰীলৈ নিযুত মইনা আঁচনিৰ অনুদান আগবঢ়োৱা হয়। ছাত্ৰীসকলে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে খানাপাৰাত নিযুত মইনা আঁচনিৰ শুভাৰম্ভণি অনুষ্ঠানতো অংশগ্ৰহণ কৰে। তামুলপুৰ,

গোৰেশ্বৰ, গোৱালপাৰা, শিৱসাগৰ, আমগুৰি, নাজিৰা, ডিমৌ, বৰপেটা, নগাওঁ ইত্যাদি ঠাইসমূহতো আজি নিযুত মইনা আঁচনিৰ অনুদান আগবঢ়োৱা হয়।

বাইট

০০০০০০

কেন্দ্ৰীয় বস্ত্ৰ আৰু বৈদেশিক পৰিক্ৰমা ৰাজ্যমন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই গ্ৰেনেডাত ভাৰতীয় প্ৰব্ৰজনকাৰীৰ সৈতে এক অনুষ্ঠানত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানত অংশ লৈ সাংস্কৃতিক উদযাপন আৰু ঐতিহ্যৰ গভীৰ অনুভূতিয়ে ভাৰত আৰু গ্ৰেনেডাৰ মাজৰ শক্তিশালী বন্ধনক উজ্বল কৰি তুলিছিল বুলি মন্তব্য কৰে। তেওঁ লগতে সমাজলৈ ভাৰত গ্ৰেনেডিয়ান সম্প্ৰদায়ৰ অৱদানৰ বাবে গৌৰৱান্বিত বুলিও প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, মন্ত্ৰীগৰাকীয়ে ভ্ৰমণকালত গ্ৰেনেডা গণৰাজ্য সংসদীয় অধিবেশনত দৰ্শক হিচাপে অংশগ্ৰহণ কৰে। ইয়াৰ লগতে শ্ৰীমাৰ্ঘেৰিটাই গ্ৰেনেডিয়ান চিনেটৰ সভাপতি আৰু হাউচ অৱ ৰিপ্ৰেজেনটেটিভৰ অধ্যক্ষক সাক্ষাৎ কৰি আলোচনা মিলিত হয়। ইয়াৰ পাছত তেওঁ দেশখনৰ প্ৰধানমন্ত্ৰী ডিকন মিচ্ছেলৰ সৈতেও চেণ্ট জৰ্জেছ চহৰত দ্বিপাক্ষিক বৈঠকত অংশগ্ৰহণ কৰে।

০০০০০০

ৰাজ্য চৰকাৰৰ এক লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতিৰ অংশস্বৰূপে কাইলৈ পুনৰ নিযুক্তি সমাৰোহৰ আয়োজন কৰা হৈছে। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল প্ৰেক্ষাগৃহত শিক্ষা বিভাগৰ ২৮৪ গৰাকী আৰু স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ১০১ গৰাকী প্ৰাৰ্থীক কাইলৈ নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু উপস্থিত থকাৰ কথা। উল্লেখযোগ্য যে যোৱা ২৬ ছেপ্তেম্বৰ পৰ্যন্ত এক লাখ ২৪ হাজাৰ ৬৪৫ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হৈছিল। কাইলৈৰ এই নিযুক্তিৰ পাছতে মুঠ নিযুক্তিৰ সংখ্যা ১ লাখ ২৫ হাজাৰ ৩০লৈ বৃদ্ধি পাব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰি কয় যে ৰাজ্য চৰকাৰ জনসাধাৰণৰ আস্থা আৰু বিশ্বাসৰ মূল্য দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ আৰু ১ লাখ নিযুক্তি অতিক্ৰম কৰাটোৱে এই কথাকে প্ৰমাণ কৰে।

০০০০০০

শাৰদীয় দুৰ্গা পূজালৈ মাজত দুদিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। আজি দুপৰীয়া ভাগৰে পৰা বতৰ কিছু ফৰকাল হোৱাৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ মাজত উৎসাহৰ সঞ্চাৰ হৈছে। আজি নৱৰাত্ৰিৰ চতুৰ্থ দিনা দেৱী দুৰ্গাক কুষ্মাণ্ডা ৰূপত পূজা কৰা হয়। দেৱীৰ এই ৰূপে সুস্বাস্থ্য, ইতিবাচক শক্তি আৰু প্ৰাণোচ্ছল জীৱনৰ বাবে প্ৰেৰণা দিয়ে বুলি বিশ্বাস কৰা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নৱৰাত্ৰিৰ চতুৰ্থ দিনা দেৱী কুষ্মাণ্ডাৰ আশীষ বিচৰাৰ লগতে সকলোৰে জীৱন সুন্দৰ হোৱাৰ কামনা কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও আজি নৱৰাত্ৰিৰ চতুৰ্থ দিনা দেৱী কুষ্মাণ্ডাৰ আশীষ কামনা কৰাৰ লগতে সকলোৰে সুস্বাস্থ্য, ঐশ্বৰ্যবিভূতি আৰু শক্তি বৃদ্ধিৰ বাবে দেৱীৰ চৰণত প্ৰাৰ্থনা জনায়।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰতিকূল বতৰকো নেওচি পূজাৰ প্ৰস্তুতি অব্যাহত আছে। গুৱাহাটী মহানগৰীৰ পূজা মণ্ডপসমূহ সজাই তোলাৰ বাবে আয়োজকসকল ব্যস্ত হৈ পৰিছে। বতৰে বিঘিনি ঘটোৱাৰ বাবে পূৰ্বৰ দৰে প্ৰস্তুতি চলাব পৰা নাই যদিও আজি দিনৰ ভাগত বতৰ ফৰকাল হোৱাত সকলো ব্যস্ত হৈ পৰিছে। মহানগৰীত স্বচ্ছ দুৰ্গা পূজা প্ৰতিযোগিতা সম্পৰ্কত কাইলৈ পৌৰ নিগমৰ মৃগেন শৰণীয়াই উজান বজাৰত থকা গুৱাহাটী পৌৰ নিগমৰ কাৰ্যালয়ত এখন সংবাদমেল সম্বোধন কৰিব।

ধুবুৰী জিলাৰ বিভিন্ন অঞ্চলত শাৰদীয় পূজাৰ বাবে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। জিলাখনৰ তামাৰহাট সাৰ্বজনীন দুৰ্গা পূজাৰ এইবাৰ ১০৬ সংখ্যক বৰ্ষৰ বাবে সুন্দৰকৈ দুৰ্গা মন্দিৰ প্ৰাঙ্গন সজাই তোলা হৈছে। পূজাৰ সৈতে সংগতি ৰাখি আয়োজক সমিতিয়ে ষষ্ঠীৰ পৰা নৱমীলৈ এলানি বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে।

ইপিনে, ৰাজ্য চৰকাৰে গ্ৰহণ কৰা আঁচনি অনুসৰি বিভিন্ন জিলাৰ দুৰ্গা পূজা সমিতিসমূহক আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। বঙাইগাঁও চহৰৰ বীৰঝড়া ৰাজহুৱা পুঁথিভৰাল প্ৰেক্ষাগৃহত আজি এই উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলাখনৰ মুঠ ১২৫খন পূজা সমিতিয়ে চৰকাৰৰ পৰা আৰ্থিক সাহায্য হিচাপে ১০ হাজাৰ টকাৰ চেক লাভ কৰে।

০০০০০০

ভাৰতীয় ৰেলৱেই উৎসৱৰ বতৰত যাত্ৰীৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ৪০০খন বিশেষ ৰেল মুকলি কৰিছে। নৱৰাত্ৰিৰ পৰা ষট্ পূজালৈ এই উৎসৱৰ সময়ছোৱাত বিশেষ ৰেলসমূহে ৫ হাজাৰ ৯৭৫টা যাত্ৰা সম্পূৰ্ণ কৰিব।

যোৱা বছৰো ৰেল বিভাগে উৎসৱৰ বতৰত ৪ হাজাৰ ৪২৯টা ৰেল যাত্ৰা কৰাইছিল। যাত্ৰীৰ সংখ্যা আৰু বৃদ্ধি হ'লে ৰেলৰ যাত্ৰাৰ সংখ্যা বৃদ্ধি কৰা হ'ব বুলি ৰেল মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, কেন্দ্ৰীয় ৰেলৰেই উৎসৱৰ সময়ছোৱাত ২৭৮খন ৰেল চলাচল কৰোৱাব। আনহাতে, উত্তৰ ৰে'লৰেই উৎসৱৰ বতৰত ১৩৮খন ৰেল চলাচল কৰাব। তদুপৰি যাত্ৰীসকলৰ সুবিধাৰ বাবে বিশেষ ৰেলৰ উপৰি চলি থকা ১০৮খন ৰেলত অতিৰিক্ত দবা সংযোজন কৰাৰ বিষয়ে ঘোষণা কৰিছে।

oooooo

ডুবাইত অনুষ্ঠিত মহিলাৰ টি-২০ বিশ্বকাপত আজি ভাৰতে পাকিস্তানৰ বিৰুদ্ধে ৬ উইকেটত জয়লাভ কৰে। পাকিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১০৫ ৰান কৰে। যোৱা শুকুৰবাৰে পাকিস্তানে ইয়াৰ প্ৰথমখন খেলত শ্ৰীলংকাৰ বিৰুদ্ধে জয়লাভ কৰাৰ বিপৰীতে ভাৰত নিউজিলেণ্ডৰ বিৰুদ্ধে প্ৰথমখন খেলত পৰাজিত হয়। আজিৰ খেলখনত জয়লাভ কৰাৰ লগে লগে হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে প্ৰথমটো পইণ্ট অৰ্জন কৰিবলৈ সক্ষম হয়।

oooooo

মালয়েছিয়াত অনুষ্ঠিত হবলগীয়া জোহৰ কাপৰ দ্বাদশ সংস্কৰণৰ বাবে ভাৰতীয় জুনিয়ৰ পুৰুষ হকী দলটো আজি ঘোষণা কৰা হয়। আমিৰ আলিক দলটোৰ অধিনায়ক হিচাপে নিযুক্তি দিয়াৰ বিপৰীতে ৰোহিত ভাইছক উপ অধিনায়ক ঘোষণা কৰা হয়। উল্লেখযোগ্য যে ভাৰতীয় দলটোৱে ১৯ অক্টোবৰত জাপানৰ বিৰুদ্ধে খেলত অৱতীৰ্ণ হৈ প্ৰতিযোগিতাখনত যাত্ৰা আৰম্ভ কৰিব। ইয়াৰ পাছত দলটোৱে ২০ অক্টোবৰত গ্ৰেট ব্ৰিটেইন, ২২ অক্টোবৰত মালয়েছিয়া, ২৩ অক্টোবৰত অষ্ট্ৰেলিয়া আৰু ২৫ অক্টোবৰত নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় দলটোত বিক্ৰম জিৎ সিং আৰু আলিখানক গ'লৰক্ষক হিচাপে অন্তৰ্ভুক্ত কৰাৰ বিপৰীতে অধিনায়ক আমিৰ আলী, উপ অধিনায়ক ৰোহিত, তালেম প্ৰিয়বৰ্তা, সাৰদানন্দ তিৱাৰী, সুখবিন্দৰ আৰু আনমোল এক্কাক ডিফেণ্ডাৰ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে । অংকিত পুাল, মনমীত সিং, ৰোছন কুজুৰ, মুকেশ টপ্নো আৰু চন্দন যাদৱে মিডফিল্ডাৰ হিচাপে দলত অংশ লাভ কৰাৰ বিপৰীতে গুৰজোৎ সিং, সৌৰভ আনন্দ কুশৱাহা, দিলৰাজ সিং, আৰ্শদীপ সিং আৰু মহম্মদ কনন ডেডে ফৰৱাৰ্ড হিচাপে দলত স্থান লাভ কৰিছে ।

oooooo

২০২৪-২৫ পৰ্যটন বৰ্ষৰ বাবে কাজিৰঙা আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ দ্বাৰ মুকলি, ৰাজ্যৰ ৮ বিধ সামগ্ৰীলৈ কেন্দ্ৰীয় চৰকাৰৰ জি আই টেগৰ স্বীকৃতি, ৰাজ্যত অবৈধভাৱে চলি থকা লটাৰীক গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিষিদ্ধ ঘোষণা, অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ কুমাৰ পালৰ আমোলত হোৱা ১৪ টাকৈ জিলা মেলেৰীয়া বিষয়া পদৰ নিযুক্তি বাতিলৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ নিৰ্দেশ আদিকে ধৰি ভিন ভিন বাতৰিয়ে বিগত সপ্তাহত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰিছে।

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দেশ-বিদেশৰ পৰ্যটকৰ বাবে যোৱা মঙলবাৰে মুকলি কৰা হয়। ৰাজ্য চৰকাৰৰ বন আৰু পৰিৱেশ মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে বাগৰি বনাঞ্চলৰ প্ৰৱেশ দ্বাৰ ৰাষ্ট্ৰীয় উদ্যানখন ২০২৪-২৫ পৰ্যটন বৰ্ষৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰে। সমান্তৰালকৈ ৰাষ্ট্ৰীয় উদ্যানখনৰ ক'হৰা আৰু বুঢ়া পাহাৰ বনাঞ্চলো পৰ্যটকৰ বাবে মুকলি হয়। বৰ্তমান পৰ্যটকসকলৰ বাবে কেৱল জীপ ছাফাৰীৰ ব্যৱস্থা কৰা হৈছে। অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকসকলে হাতী ছাফাৰীৰ সুবিধা লাভ কৰিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ইতিমধ্যে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰ ভাগৰ বাট-পথসমূহ মেৰামতি কৰাৰ লগতে জীপ চালক সকলকো প্ৰশিক্ষণ প্ৰদান কৰিছে। ইতিমধ্যে কেইবালানিও প্ৰশিক্ষণ কাৰ্যসূচী সমাপ্ত হৈছে। উদ্যোনখনৰ কাজিৰঙা বনাঞ্চল, বাগৰি বনাঞ্চল আৰু বুঢ়া পাহাৰ বনাঞ্চলৰ কিছু অংশহে পৰ্যটকৰ বাবে মুকলি কৰা হৈছে।

ইফালে ১ অক্টোবৰৰ পৰা ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ সংৰক্ষিত প্ৰকল্পও ২০২৪-২০২৫ পৰ্যটন বৰ্ষৰ বাবে মুকলি হয়। মঙলদৈ বণ্য প্ৰাণী সংমণ্ডল বিষয়াই ৰাষ্ট্ৰীয় উদ্যানখন পৰ্যটকৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰে।

ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ এটা খৰ্গযুক্ত গঁড়ৰ বিচৰণথলী আৰু মাটিকালিৰ ক্ষেত্ৰত এছিয়াৰ ভিতৰতে বাঘৰ ঘন বসতি থকা এই উদ্যানখনৰ পথসমূহ মেৰামতি কৰি জীপ ছাফাৰীৰ বাবে উপযোগী কৰি তোলা হৈছে। এইবাৰ পৰ্যটকসকলৰ সুবিধাৰ্থে বন বিভাগে নিজাকৈ ছটা কোঠাৰ ইকো কেম্প মুকলি কৰিছে।

ৰাজ্যৰ ৮ বিধ সামগ্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ জি আই টেগৰ স্বীকৃতি লাভ কৰিছে। বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত বস্ত্ৰ আৰ'নাই আৰু পৰম্পৰাগত পানীয় জৌ গৈৰান, মাইব্ৰা জৌ বিদৈ, জৌ গিচি, শুকান মাছৰ পৰা

প্ৰস্তুত কৰা জনগোষ্ঠীয় খাদ্য বড়ো নাফামা আৰু বড়োসকলৰ পৰম্পৰাগত খাদ্য অগুলা বড়ো গৌখা আৰু বড়ো নাৰ্জিলৈ ভাৰত চৰকাৰৰ এই স্বীকৃতি আগবঢ়োৱা হৈছে।

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যত অবৈধভাৱে চলি থকা লটাৰীক নিষিদ্ধ ঘোষণা কৰিছে। আজি ন্যায়ালয়ে নিজাববীয়া ৰাজহুৱা স্বাৰ্থজড়িত গোচৰৰ শুনানি লৈ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয় আৰু ন্যায়াধীশ উন্নী কৃষ্ণ নায়াৰৰ খণ্ড বিচাৰপীঠে অফলাইন তথা অনলাইন কোনো মাধ্যমতে লটাৰী অনুষ্ঠিত কৰিবলৈ যাতে অনুমতি নিদিয়ে তাৰ বাবে সকলো জিলাৰ আয়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ প্ৰতি নিৰ্দেশনা জাৰি কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিয়ে। লগতে কোনো অবৈধ লটাৰী অনুষ্ঠিত কৰাৰ ঘটনা দৃষ্টিগোচৰ হ'লে লগে লগে আয়োজকৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা ল'বলৈ আৰক্ষী অধীক্ষকক নিৰ্দেশ দিছে।

গুৱাহাটী উচ্চ ন্যায়ালয়ে অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ৰাকেশ কুমাৰ পালৰ আমোলৰ ১৪ টাকৈ জিলা মেলেৰীয়া বিষয়া পদৰ নিযুক্তি বাতিলৰ নিৰ্দেশ দিছে। এগৰাকী বঞ্চিত প্ৰাৰ্থীয়ে দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয় আৰু ন্যায়াধীশ উন্নীকৃষ্ণ নায়াৰৰ খণ্ড বিচাৰপীঠে ১৪টাকৈ পদৰ বাচনিৰ তালিকা বাতিল কৰি নতুনকৈ নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছে। লোকসেৱা আয়োগে ২০১২ চনত স্বাস্থ্য বিভাগৰ অধীনত ১৪টাকৈ মেলেৰীয়া বিষয়া পদৰ বিজ্ঞাপন প্ৰকাশ কৰিছিল। পৰৱৰ্তী পৰ্যায়ত আয়োগে বাচনি পৰীক্ষা আৰু মৌখিক পৰীক্ষা পাতি ১৪ গৰাকী প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰে। কিন্তু একাংশ প্ৰাৰ্থীক নম্বৰ বৃদ্ধি কৰি উত্তীৰ্ণ কৰোৱা আৰু কেৱল মৌখিক পৰীক্ষাৰ নম্বৰৰ ভিত্তিত প্ৰাৰ্থী বাছনি কৰাক লৈ এজন বঞ্চিত প্ৰাৰ্থীয়ে উচ্চ ন্যায়ালয়ত গোচৰ তৰিছিল। এই গোচৰৰ ভিত্তিতে আজি ন্যায়ালয়ে ১৪টাকৈ মেলেৰীয়া বিষয়া পদৰ বাছনি তালিকা বাতিল কৰে।

প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে পৰহিৰে পৰা ৩৯ খন সমজিলা কাৰ্যক্ষম কৰে। এই উপলক্ষে সমজিলা ব্যৱস্থাৰ সূচনা কাৰ্যসূচীৰ প্ৰথম পৰ্যায়ৰ অংশ হিচাপে কালি দ্বিতীয় দিনা ১৮ খন সম-জিলাৰ কাৰ্যালয় মুকলি কৰা হয়। কালি জালুকবাৰী, নতুন গুৱাহাটী, দিছপুৰ, ডিমৰীয়া, অভয়াপুৰী, ৰহা, লামডিং, লাহৰিঘাট, জাগীৰোড, ঢেকীয়াজুলি, ডুমডুমা, নাহৰকটীয়া, দুলিয়াজান, তিখং, নাজিৰা, ডিমৌ, মাহমৰা আৰু লক্ষিপুৰত সমজিলাৰ কাৰ্যালয় মুকলি কৰা হয়।

এই প্ৰশাসনিক সংস্কাৰমূলক ব্যৱস্থাৰ দ্বাৰা এতিয়াৰে পৰা সাধাৰণ নাগৰিকে ভূমি ৰাজহ দণ্ডাধীকাৰ, উন্নয়ন জনকল্যাণমূলক আঁচনি ৰূপায়ণ, খাদ্য আৰু অসামৰিক যোগান, আবকাৰী আদি বিভিন্ন জিলা পৰ্যায়ৰ সেৱাসমূহ সমজিলাৰ কাৰ্যালয়তে লাভ কৰিব। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমজিলা মুকলি সন্দৰ্ভত ৰাজ্যত মহকুমা ব্যৱস্থাটোৰ বিলুপ্তি ঘটোৱা হৈছে বুলি ইতিমধ্যে সামাজিক মাধ্যমযোগে অৱগত কৰিছিল।

অহা ১৭ অক্টোবৰত ধুবুৰী ৰূপসী বিমানবন্দৰৰ পৰা গুৱাহাটী আৰু কলকাতালৈ সপ্তাহত ৩ দিন যাত্ৰীবাহী বিমানসেৱা আৰম্ভ হব। উল্লেখযোগ্য যে, বিগত বৰ্ষৰ পৰা বিমানবন্দৰৰ আভ্যন্তীৰণ কিছু সমস্যাৰ খাতিৰত ৰূপসীৰ পৰা যাত্ৰীবাহী বিমান সেৱা বন্ধ হৈ আছিল। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহন দপ্তৰৰ ৰাজ্যমন্ত্ৰী মুৰলীধৰ মোহনে শেহতীয়াকৈ চলিত বৰ্ষৰ অক্টোবৰৰ পৰা বিমান বন্দৰটোৰ যোগেদি অসামৰিক বিমান সেৱা চলাচল কৰাৰ আশ্বাস দিছিল। এই অনুসৰি ১৭ অক্টোবৰৰ পৰা প্ৰতি সপ্তাহে মঙলবাৰ, বৃহস্পতিবাৰ, আৰু শনিবাৰে এটা ব্যক্তিগত খণ্ডৰ বিমান পৰিবহন সংস্থাই ৰূপসীৰ পৰা কলকাতা আৰু গুৱাহাটীৰ মাজত যাত্ৰীবাহী বিমান চলাচলৰ ব্যৱস্থা কৰিব।

গান্ধী জয়ন্তীৰ সৈতে সংগতি ৰাখি কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে নতুন দিল্লীত ৰাষ্ট্ৰজোৱা ফিট ইণ্ডিয়া স্বচ্ছতা ৰান শীৰ্ষক কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। যোৱা ২ অক্টোবৰৰ পৰা ৩১ অক্টোবৰ অৰ্থাৎ চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তীলৈকে প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত এই স্বচ্ছতা দৌৰ কাৰ্যসূচীৰ ৰূপায়ণ কৰা হ'ব। অনুষ্ঠানৰ শুভাৰম্ভ কৰি যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া বিভাগৰ সচিব সুজাতা চতুৰ্বেদীয়ে কয় যে জাতিৰ পিতাগৰাকীয়ে সুস্থ জীৱনশৈলী আৰু পৰিচ্ছন্নতাৰ ওপৰত অত্যন্ত গুৰুত্ব আৰোপ কৰিছিল। এই ফ্ৰীডম ৰান কাৰ্যসূচীয়ে মহাত্মা গান্ধীৰ আদৰ্শ আৰু শিকনিসমূহক জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ লগতে তেওঁলোকক সুস্থ আৰু পৰিচ্ছন্ন জীৱন-ধাৰণৰ বাবে প্ৰেৰিত কৰিব বুলি তেওঁ মন্তব্য কৰে।

এয়াই আছিল বিগত সপ্তাহত আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত স্থান লাভ কৰা উল্লেখযোগ্য বাতৰিত চমু অৱলোকন।

০০০০০০

সমাপ্ত